# অসম বিধান সভাৰ অধিবেশন-২০২৬

# মৌখিক প্ৰশ্ন নং: ২১২

# উত্তৰ দিয়াৰ তাৰিখ: ২৪/০৭/২০২৬ ইং

বিষয়: মাহমৰা সমষ্টিৰ ভূমিচৰ্ত অধিকাৰ সন্দৰ্ভত । শ্ৰী সুৰুজ দিহিঙ্গীয়া:

মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মাহমৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত দিখৌ ৰাঙলী বনাঞ্চলত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি লোকসকলক ইতিমধ্যে অসম চৰকাৰে ভূমিচৰ্ত অধিকাৰ প্ৰদান কৰিলে যদিও তাত বাস কৰি থকা অন্যান্য অ-জনজাতীয় খিলঞ্জীয়া লোকসকলক এতিয়ালৈকে ভূমিচৰ্ত অধিকাৰ দিয়া হোৱা নাই। এইসকল লোকক ভূমিচৰ্ত অধিকাৰ প্ৰদান কৰাৰ সন্দৰ্ভত চৰকাৰৰ কোনো পৰিকল্পনা আছেনে?

(খ) পূৰ্বতে যি সকল ভূমিহীন লোকক সেই বনাঞ্চলৰ ভূমিত চৰকাৰীভাৱে সংস্থাপিত কৰা হৈছিল, এই সকল লোকক ভূমিচৰ্ত অধিকাৰ প্ৰদানৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে?

<u>**উত্তৰ**</u>

ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী মাননীয় শ্ৰী কেশৱ মহন্ত দেৱে উত্তৰ দিছে –

**(ক)** পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৰা পোৱা তথ্য মতে, অনুসূচীত জনজাতি আৰু অন্যান্য পৰম্পৰাগত বনবাসী Other traditional forest dwellers (OTFD) সকলক বন অধিকাৰৰ স্বীকৃতি আইন, ২০০৬ (Forest Rights Act, 2006) অনুসৰি বন অধিকাৰ দিয়া হয়। কিন্তু বন অধিকাৰৰ স্বীকৃতি আইন, ২০০৬ ৰ ধাৰা 2(০)ৰ অধীনত যিসকল Other traditional forest dwellers (OTFD) ব্যক্তি বা পৰিয়ালে, ২০০৫ চনৰ ১৩ ডিচেম্বৰৰ পূৰ্বে কমেও ৩ টা প্ৰজন্ম অৰ্থাৎ ৭৫ বছৰ মূলতঃ বন বা বনভূমিত বসবাস কৰি আহিছে আৰু লগতে জীৱিকাৰ প্ৰধান উৎস হিচাপে বনাঞ্চলৰ মাটিৰ ওপৰত নিৰ্ভৰশীল, তেওঁলোক বন অধিকাৰ পোৱাৰ যোগ্য ।

**(খ)** জনজাতীয় পৰিক্ৰমা (ভৈয়াম) বিভাগৰ পৰা পোৱা তথ্য অনুসৰি, বন অধিকাৰৰ স্বীকৃতি আইন, ২০০৬-ৰ ধাৰা 3(1)(a) ৰ অধীনত অন্যান্য পৰম্পৰাগত বনবাসী (OTFD) সকলে ভূমিৰ অধিকাৰ দাবী কৰাৰ ব্যৱস্থা আছে।

**********************************